**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক্ৰীড়াৰ জৰিয়তে সম্প্ৰতি আন্তৰ্জাতিক পৰ্য্যায়ত কৰ্ম-সংস্থাপন আৰু উপাৰ্জনৰ পথ মুকলি হয় বুলি মন্তব্য কৰিছে। ডিব্ৰুগড় জিলাৰ সাংসদ খেল মহোৎসৱৰ সামৰণি অনুষ্ঠানত আজি অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰাই নিৰন্তৰভাৱে খেলৰ জৰিয়তে সমাজখনক শক্তিশালী কৰিবলৈ  বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

-বাইট-

ক্ৰীড়াৰ জৰিয়তে সমাজত শান্তি-শৃংখলাৰ লগতে ভাতৃত্ববোধ গঢ় দিয়া আৰু নাগৰিকসকলক একত্ৰিত হৈ দায়বদ্ধ হোৱাৰ ক্ষেত্ৰত সংকল্প গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যকালত ক্ৰীড়াৰ জগতখনত ৰাজ্যখনে নতুন পৰিকল্পনা অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হৈছে। দেশৰ সকলো ৰাজ্যতে এই মহোৎসৱ অনুষ্ঠিত হৈ আহিছে বুলি উল্লেখ কৰি সৰ্বানন্দ সোণোৱালে কয়, যে  খেলুৱৈসকলৰ বাবে দেশ-বিদেশত উন্নত মানৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ৩১ অক্টোবৰত ডিব্ৰুগড় লোকসভাত সমষ্টি ভিত্তিত অনুষ্ঠিত হোৱা সাংসদ খেল মহোৎসৱৰ আজিৰ সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে সকলোকে সম্বোধন কৰে।

০০০০০০০

ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত সমগ্ৰ কামৰূপ জিলাত প্ৰযোজ্য হোৱাকৈ বনভোজ খোৱাৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা অনুসৰি, সন্ধিয়া ৫ বজাৰ পাছত জিলাখনৰ বনভোজ থলীসমূহত বনভোজ খোৱা বা আন উদ্দেশ্যে নাগৰিক সমবেত হোৱা, বনভোজ থলী অথবা নদী ঘাট আৰু আশে পাশে প্লাষ্টিক তথা তেনেধৰণৰ সামগ্ৰী পেলোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি বনভোজ স্থলীত উচ্চস্তৰত সংগীত পৰিৱেশন, মাদক দ্ৰব্যৰ বিক্ৰী, ক্ৰয় অথবা সেৱন আৰু চৌদিশৰ এলেকাত আৱৰ্জনা পেলোৱাত বাধা আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে, নৱবৰ্ষ উপলক্ষে বনভোজ খাবলৈ আহি ৰাজহুৱা শান্তি-শৃংখলা ভংগ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰত্যেক বছৰে জিলা প্ৰশাসনৰ তৰফৰ পৰা এনে ধৰেণ কেতবোৰ নিয়ম বান্ধি দিয়া হয়। তাৎক্ষণিকভাৱে বলবৎ হোৱা এই নিৰ্দেশনা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্য্যন্ত বাহাল থাকিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

০০০০০০০

পশ্চিম কার্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে। কাইলৈ প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা হোৱাৰ কথা আছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খেৰণি ফেলাংপিত আমৰণ অনশন কৰি থকা কাৰ্বি সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ পিছত প্ৰতিবাদকাৰীসকলে ত্ৰিপাক্ষিক আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে। আজিৰ দিনটোত অঞ্চলটোত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। অৱশ্যে অঞ্চলটোৰ প্ৰায় সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠান এতিয়াও বন্ধ হৈ আছে। সেনা-আৰক্ষীয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

oooooooo

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা ২০২৫ বৰ্ষৰ **শ্ৰোতা প্ৰেৰণা বঁটা** আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হয়। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হয়।

উল্লেখযোগ্য যে, ২০১০ চনৰ ২৫ ডিচেম্বৰত জিলাখনৰ মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা এই সংঘই মূলতঃ ৰেডিঅ'ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ'ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণক আগবঢ়োৱা হয়। মাজুলীৰ শ্ৰীশ্ৰী এলেংগি টকৌবাৰী সত্ৰত অনুষ্ঠিত অনাতাঁৰ মৰম পৰিয়ালৰ ষোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হয়। চিৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদুম কুমাৰ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিত শইকীয়াৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

oooooooo

**ঃঃ সমাপ্ত ঃঃ**